# Visit of External Affairs Minister to Kingdom of Bahrain (November 24-25, 2020)

November 25, 2020

# বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ বাহাৰেইন ভ্ৰমণ (নৱেম্বৰ 24-25, 2020)

নৱেম্বৰ 25, 2020

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড. এছ জয়শংকৰে আজি তেখেতৰ দুদিনীয়া বাহাৰেইন ভ্ৰমণসূচী সমাপ্ত কৰে। ভ্ৰমণকালত তেখেতে এইচ আৰ এইচ যুৱৰাজ ছালমান বিন হামাদ অল খালিফা,ডেপুটি চুপ্ৰিম কামাণ্ডাৰ, বাহাৰেইনৰ প্ৰধানমন্ত্ৰী, উপ প্ৰধানমন্ত্ৰী মহামান্য শেইখ অল বিন খালিফা অল খালিফাক সাক্ষাত কৰে। তেখেতে তেখেতৰ সমকক্ষ বাহাৰেইনৰ বিদেশ মন্ত্ৰী মহামহিম ড. আব্দুল্লাতিফ বিন ৰছিদ অল জায়ানীৰ সৈতে আলোচনাত মিলিত হয়।

তেখেতে ব্যক্তিগতভাৱে ভাৰতৰ জনসাধাৰণ আৰু চৰকাৰৰ তৰফৰ পৰা বাহাৰেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ আৰ এইচ যুৱৰাজ খালিফা বিন ছালমান অল খালিফাৰ বিয়োগত সমবেদনা জ্ঞাপন কৰে। তেখেতে ভাৰত– বাহাৰেইনৰ সম্পৰ্কক দৃঢ় কৰা আৰু বাহাৰেইনত থকা ভাৰতীয় সমুদায়ৰ কল্যাণৰ কাৰণে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ অৱদানৰ কথা সুঁৱৰে।

বাহাৰেইনত থকা 300,000তকৈ অধিক ভাৰতীয় সমুদায়ক সেৱা প্ৰদান কৰাৰ লগতে কভিড–19 মহামাৰীৰ সময়ছোৱাত আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ কাৰণে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে বাহাৰেইনৰ নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰ। বাহাৰেইনৰ উন্নয়নত ভাৰতীয় সম্প্ৰদায়ে আগবঢ়োৱা অৱদান আৰু কভিড মহামাৰীৰ সময়ত ঔষধপাতি, চিকিত্সা সৰঞ্জাম আৰু চিকিত্সা কৰ্মীসকলৰ জৰিয়তে ভাৰতীয়সকলৰ দ্বাৰা আগবঢ়োৱা সহায়ৰ বাবে বাহাৰেইনৰ নেতৃত্বই প্ৰশংসা জ্ঞাপন কৰে। দুয়ো পক্ষই কভিড সম্পৰ্কীয় সহযোগিতাক আৰু অধিক দৃঢ় কৰাৰ ক্ষেত্ৰত নিশ্চিতি প্ৰদান কৰে। তেওঁলোকে দুয়োখন দেশৰ মাজত এয়াৰ বাবল ব্যৱস্থা কাৰ্যকৰ কৰাৰ বিষয়ে সন্তোষ্টি প্ৰকাশ কৰে।

ড. এছ জয়শংকৰে বাহাৰেইনৰ বিদেশ মন্ত্ৰীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। দুয়োগৰাকী মন্ত্ৰীয়ে দ্বিপাক্ষিক বিষয়সমূহৰ লগতে কভিডৰ পৰৱৰ্তী প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাত সহযোগিতা আৰু সমন্বয় সহ পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বৈশ্বিক বিষয়সমূহৰ ওপৰত আলোচনা কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে প্ৰতিৰক্ষা আৰু সামুদ্ৰিক সুৰক্ষা, মহাকাশ প্ৰযুক্তি, বাণিজ্য আৰু বিনিয়োগ, আন্তঃগাথনি, তথ্য প্ৰযুক্তি, ফিনটেক, স্বাস্থ্য, হাইড্ৰকাৰ্বন আৰু পুনঃনৱীকৰণ শক্তি সহ ঐতিহাসিক ভাৰত–বাহাৰেইন সম্পৰ্কক আগলৈ আৰু অধিক দৃঢ় কৰাৰ ক্ষেত্ৰত সহমত পোষণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কেইমাহ মানৰ পিছত হব লগা তৃতীয় ভাৰত–বাহাৰেইন উচ্চ যুটীয়া আয়ুক্তৰ বৈঠকৰ কাৰণে বাহাৰেইনৰ বিদেশ মন্ত্ৰীগৰাকীক ভাৰতলৈ আহিবৰ বাবে নিমন্ত্ৰণ জনায়।

তেখেতৰ ভ্ৰমণকালত, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ভাৱে বাহাৰেইনত থকা ভাৰতীয় সমুদায়ৰ নেতৃবৰ্গৰ সৈতেও মতবিনময় কৰে। তেখেতে মানামাত থকা 200 বছৰ পুৰণি শ্ৰীনাথজী (শ্ৰী কৃষ্ণ)ৰ মন্দিৰ দৰ্শন কৰে। মন্দিৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া লিটল ইণ্ডিয়া ভাৰত- বাহাৰেইনৰ বন্ধুত্বৰ প্ৰতীক। তেখেতে বাহাৰেইনৰ ৰাষ্ট্ৰীয় মিউজিয়ামটোও পৰিদৰ্শন কৰে।

**মানামা**
**নৱেম্বৰ 25, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.